লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ৩; সংখ্যা: ৪; জানুৱাৰী-জুন, ২০২২

# এইবেলি ব'হাগ

✍ অঞ্জলি বসুমতাৰী

হৃদয় সোনাৰু ফুলেৰে হালি পৰাৰ পৰাই
আছাগীয়ে বাট চাইছে বহুতো ব'হাগ

আছাগীৰ হৃদয়ত বছৰে বছৰে
ফুলে মদাৰ শিমলু কাঞ্চন এজাৰ
বছৰে আহে ধুমুহা বৰদৈচিলা

আছাগীৰ আম মলিওৱা ৰবাব টেঙা ফুলা হৃদয়ত
শিল বৰষুণ- গালত ছানি ধৰে চোম

আছাগীয়ে বই আহিছে বহুতো আৰু নাই
জোনাক নিশা আশাৰ সুতা যোৰা লগাই
বোৱে হৃদয়ৰ এন্ধাৰত মকৰাজালৰ ঘৰ

আছাগীয়ে বাট চাই বহুতো উজাগৰী ৰাতি
জানোচা যুঁজাৰু এযোৰ জোতাই জগাব
জানোচা চিনাকি মাতষাৰ হৃদয়ৰ দেওৱা ফুল
বুটলিব
আছাগীয়ে এই বেলি বইছে তেজ ৰঙী দখনা
থাওচি
মন তাইৰ মাকোক জনাবলৈ- গম পাওক কুল
কেতেকী
তাঁতত বহি চালমৰা ডালকে মিচিকিয়াই

হৃদয়ৰ দীঘল ক'লা চুলিটাৰি মেলি
আছাগীয়ে ছটিয়াই আকাশলৈ
এখোচনা উগুল থুগুল সপোন

**যোগাযোগৰ ঠিকনা:**
সাহিত্য অকাদেমি বঁটা প্ৰাপক তথা সহযোগী
অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ
কোকৰাঝাৰ চৰকাৰী মহাবিদ্যালয়